# মানুহৰ দৰে যীচুৰ জন্ম হৈছিল

**১। বৰদিন আৰু যীচুৰ মানৱ দেহ ধাৰণৰ গভীৰ অৰ্থ আৱিস্কাৰ কৰক।**

**প্ৰাৰ্থনা ঃ** "প্ৰিয় যীচু আপুনি যে মানুহ আৰু ঈশ্বৰ এই আশ্চৰ্য্যজনক সত্যৰ মোল বুজিবলৈ মোক সহায় কৰক। আপোনাত যে ঈশ্বৰ আৰু মানুহ একেলগ হৈ আছে আৰু আমালৈ আপুনি যে পিতৃৰ মহান দান সেই কথাত আন লোকক বৰ্ণনা কৰিবলৈ মোক সহায় কৰক।"

**আঁৰত থকা বিষয় ঃ** যদিহে আপুনি যীচুৰ জন্মৰ ঐতিহাসিক বিৱৰণ এতিয়াও নাজানে, তেনেহ'লে অনুগ্ৰহ কৰি লূক ১, ২ অধ্যায় আৰু মথি ১, ২ অধ্যায় পঢ়ক। ল'ৰা-ছোৱালীৰ কাৰণে বৰদিনৰ অধ্যয়নত লূক ১, ২ অধ্যায়ৰ পৰা নাটক সুমুৱাই লোৱা হৈছে।



যীচু খ্ৰীষ্টৰ জন্মৰ হাজাৰ বছৰ পূৰ্ব্বেই **যিচয়া ভাববাদীয়ে ভাববাণী** কৰিছিল। যিচয়া ৭ঃ১৪ পদত চাওক, ত্ৰাণকৰ্ত্তা গৰাকীক কি বুলি মতা হ'ব। উত্তৰ ঃ তেওঁক "ইম্মানুৱেল" বোলা হ'ব, অৰ্থাৎ "ঈশ্বৰ আমাৰ লগত"।

**যীচুৰ দুই প্ৰকাৰৰ স্বাভাৱিক গুণ আছে,** ঈশ্বৰৰ স্বৰ্গীয় গুণ আৰু মানৱৰ স্বাভাৱিক গুণ। মানৱ জাতি আৰু এজনা মহান পবিত্ৰ আৰু সৰ্ব্বশক্তিমান ঈশ্বৰৰ মাজত তেওঁ এক সাঁকো।

- যোহন ১ঃ১-৩ পদত, কোন দুটা তেওঁৰ স্বাভাৱিক গুণ দেখা পোৱা যায়?
- যোহন ১ঃ১ পদে যীচুক নিত্য বাক্য বুলি চিনাক্ত কৰিছে, তেওঁ কি হৈছিল বুলি ১ঃ৭ পদে কয়?
- মানৱ ৰূপে জন্ম লোৱা আগেয়ে যদি যীচুৰ অস্তিত্ব আছিল - যোহন ১ঃ১-৩ পদত চাওক।
- ইব্ৰী ২ঃ১৪-১৫ পদত, তেওঁৰ দুটা স্বাভাৱিক গুণৰ কোনটো দেখা পোৱা যায়?

**বিচাৰি চাওক,** আমাৰ মানৱীয় স্বাভাৱিক গুণ ভগাই লৈ আমাক কাৰ পৰা যীচুৱে ৰক্ষা কৰিলে? ইব্ৰী ২ঃ১৪-১৫। *(উত্তৰ ঃ মানুহ ৰূপ ধাৰণ কৰি চয়তানৰ পৰা যীচুৱে আমাক ৰক্ষা কৰিলে।)*

- গালাতীয়া ৪ঃ৩-৭ পদত চাওক, মানুহ হৈ যীচুৱে আমাক কি হ'বলৈ সক্ষম কৰিলে। কাৰণ ঈশ্বৰ মানুহৰ দৰে জন্ম ললে, আমাৰ সলনি মৰিল, আৰু আমাক ঈশ্বৰৰ সন্তান আৰু তেওঁৰ লগত তেওঁৰ পিতৃৰ আশীৰ্বাদৰ উত্তৰাধিকাৰী হ'বলৈ দিলে।

**২। আপোনাৰ সহ-কৰ্ম্মীসকলৰ লগত বৰদিনৰ বিশেষ উৎসাহৰ কামবোৰ কৰক।**

- কিছুমান বিশ্বাসীয়ে বৰদিনৰ সময়ত বন্ধুৰ ঘৰবোৰত যীচুৰ জন্মৰ গীত গান কৰিব পাৰে।
- আন কোনোৱে ওচৰ চুবুৰীয়া অতি দৰিদ্ৰ লোকলৈ খোৱা আহাৰ অথবা আন কিবা উপহাৰ নিব পাৰে।
- যীচুৰ জন্ম উদ্‌যাপন কৰিবলৈ আন বিশ্বাসী, বন্ধু-বান্ধৱ আৰু পৰিয়ালৰ লগত ভোজ-ভাত খাওক।

**৩। বৰদিন পালনৰ এক আঁচনি কৰক। স্থানীয় দস্তুৰ মতে উৎসৱৰ আয়োজন বাচি লওক।**

**ল'ৰা-ছোৱালীয়ে** প্ৰস্তুত কৰা যিকোনো বিষয়কে প্ৰদৰ্শন কৰিবলৈ দিয়ক।

যীচুৰ জন্মৰ ভৱিষ্যত বাণী। আপুনি উল্লেখ কৰোঁতে প্ৰতিটো ভৱিষ্যৎ বাণী পঢ়িবলৈ এগৰাকী সহায়কাৰী যুগুত কৰক। বৰ্ণনা কৰক যে পুৰণি নিয়মৰ ভৱিষ্যত বক্তাসকলে এই ঘটনা বহু পূৰ্ব্বে যীচুৰ জন্মৰ কথা কৈছিল। মানৱ জাতিৰ প্ৰতিজ্ঞাৰ ত্ৰাণকৰ্তাৰ বিষয়ে তেওঁলোকে এইদৰে ভৱিষ্যতবাণী কৈছিল ......

- তিৰোতাৰ পৰা জন্ম পোৱা আৰু সৰ্পৰ (চয়তানৰ) মূৰ গুৰি কৰিব, আদিপুস্তক ৩ঃ১৫
- অব্ৰাহামৰ বংশৰ যিজনে সকলো জাতিৰে আশীৰ্ব্বাদৰ কাৰণ হ'ব, আদিপুস্তক ১২ঃ১-৩,৭ পদ।

- যিহূদাৰ জাতিৰ পৰা, আদিপুস্তক ৪৯ঃ১০।
- মোচিৰ লগত তুলনা কৰিব পৰা এগৰাকী ভাববাদী, যাৰ কথা লোকবিলাকে শুনিব, দ্বিতীয় বিৱৰণ ১৮ঃ১৫,১৬।
- দায়ূদ ৰজাৰ এক বংশৰ, যিজনৰ ৰাজত্ব চিৰকাললৈকে থাকিব, যিচয়া ৯ঃ৬-৭।
- বৈৎলেহেমত জন্ম, মীখা ৫ঃ২।
- কুমাৰীৰ গৰ্ভত জন্ম আৰু "ইস্মানুৱেল" বুলি মতা হৈছিল, যিচয়া ৭ঃ১৪।


**বৰ্ণনা কৰক** কিয় আমি যীচুক "ইস্মানুৱেল" বুলি কওঁ আৰু তেওঁৰ যে দুই প্ৰকাৰৰ গুণ আছে।

**জ্ঞানী পণ্ডিতসকলে** শিশু যীচুক চাবলৈ গৈছিল, মথি ২ অধ্যায়।

- আপুনি অথবা এজন সহায়কাৰীয়ে মথি ২ অধ্যায়ৰ গল্পটো পঢ়িব অথবা মুখস্থ কব।
- যীচু যে ঈশ্বৰে পঠোৱা এজন বিশেষ ৰজা সেই কথা জ্ঞানী লোকসকলে স্বীকাৰ কৰা - বৰ্ণনা কৰক।
- প্ৰশ্ন কৰক, "যীচু জীয়াই থকা কিমান বেয়া মানুহে ইচ্ছা কৰা নাছিল?"
- "হেৰোদ ৰজাৰ দৰে, আজিকালি দুষ্ট লোকে কেনেকৈ ঈশ্বৰক অস্বীকাৰ কৰে আৰু তেওঁৰ লোকবিলাকৰ অপকাৰ কৰিবলৈ বিচাৰে।
- মেৰৰখীয়া বিলাকে যীচুক দানা পাত্ৰত শুই থকা পাইছিল। জ্ঞানী পণ্ডিতসকলে যীচুক ক'ত পাইছিল?" উত্তৰ ঃ এটা ঘৰত।
- তাত কেইগৰাকী জ্ঞানী লোক আছিল, বাইবেলে ইয়াক নকয়, কিন্তু কেইটা উপহাৰ আনিছিল, ইয়াক বাইবেলে কয়। কিমান?

নিয়ম-চন্দুক শত্ৰুৰ হাতত পৰাৰ **গল্পটি কওক** (১ চমূৱেল ৪-৬ অধ্যায়)। নিয়ম-চন্দুক কি, প্ৰথমে ব্যাখা কৰক।

- যীচুৰ জন্মৰ পূৰ্ব্বে, ঈশ্বৰে জাগতিক চিনবোৰৰ দ্বাৰাই যীচুৰ উদ্ধাৰ কাৰ্য্যৰ গুৰুত্বপূৰ্ণ ভাৱবোৰ বুজাইছিল। নিয়ম চন্দুক মানুহৰ লগত ঈশ্বৰৰ উপস্থিতিৰ লগত যুক্ত আছিল। যেতিয়া যীচুৰ জন্ম হ'ল, সেই চিনৰ পৰিবৰ্ত্তে, মাংসৰূপে ঈশ্বৰ আমাৰ লগত বাস কৰিবলৈ আহিল।
- চন্দুকটোত এখন শিলৰ ফলি আছিল য'ত ঈশ্বৰে দহ আজ্ঞা লিখিছিল সেয়ে ইস্ৰায়েল লোকবিলাকৰ লগত তেওঁ পুৰণি নিয়মৰ প্ৰতিজ্ঞাৰ মূল ভেটি আছিল। যীচুৱে, পবিত্ৰ চন্দুকৰ দৰে, ঈশ্বৰৰ আজ্ঞা তেওঁৰ অন্তৰত লৈ ফুৰিছিল। পিতৃ ঈশ্বৰৰ সদায় তেওঁ বাধ্য আছিল।



- চন্দুকটো কাঠেৰে সজা আৰু তাত সোণ খটোৱা আছিল। ইয়াৰ ওপৰত ঈশ্বৰৰ গৌৰৱ যিহিস্কেলে দেখা পাইছিল। যিহিস্কেল ১০ঃ৪, ঠিক যেনেকৈ যোহন আৰু পাঁচনিবিলাকে যীচুৰ পৰা ঈশ্বৰৰ গৌৰৱ উদ্ভৱ হোৱা দেখা পাইছিল (যোহন ১ঃ১৪)।
- চন্দুকৰ ঢাকনিৰ দুয়ো দিশত তেওঁলোকৰ পাখিৰে সন্মুখলৈ ছাঁ দি ধৰা সোণৰে সজা দুটা কৰূব (শক্তিমন্ত স্বৰ্গদূত) আছিল। সৰ্ব্বশক্তিমান ঈশ্বৰৰ গৌৰৱোজ্জ্বল উপস্থিতি ব্যাখা কৰিবলৈ বাইবেল শাস্ত্ৰই এনে কৰূব চিত্ৰ অনেক বাৰ দাঙি ধৰিছে।

১ চমূৱেল ১-৪ অধ্যায়ৰ পৰা কেৱল মূল কথাবিলাক **বৰ্ণনা কৰক**।

- পলেষ্টীয়া বিলাকৰ হাতত ইস্ৰায়েল সৈন্যবাহিনী হাৰিল আৰু ঈশ্বৰে তেওঁলোকৰ হৈ যুদ্ধ কৰিব বুলি আশা কৰি সেই পবিত্ৰ নিয়ম চন্দুক যুদ্ধ ক্ষেত্ৰলৈ আনিবলৈ সিদ্ধান্ত কৰিলে।
- অতি পবিত্ৰ স্থানত সেই নিয়ম-চন্দুক ৰাখিবলৈ ঈশ্বৰে আজ্ঞা কৰিলে। বলিদানৰ তেজেৰে, বছৰত এবাৰকৈ কেৱল প্ৰধান পুৰোহিতে ইয়াৰ ওচৰ চাপিব পাৰিছিল।

- ইস্ৰায়েল সকল ঈশ্বৰ যুদ্ধক্ষেত্ৰত প্ৰৱেশ কৰা বুলি বিশ্বাস কৰি পলেষ্টীয়াবিলাকৰ অতিশয় ভয় লাগিল। তথাপি, তেওঁলোকে আগতকৈ অধিক পুৰুষালি দেখুৱাই যুদ্ধ কৰিলে আৰু ঈশ্বৰৰ চন্দুক সিহঁতৰ হাতত পৰিল।
- প্ৰধান পুৰোহিত, এলীয়ে এই কথা শুনি উচপ খাই আসনৰ পৰা লুটি খাই পৰিল আৰু মৰিল।
- পলেষ্টিয়াবিলাকে ঈশ্বৰৰ চন্দুক দাগোনৰ মন্দিৰলৈ নি, দাগোনৰ কাষতে ৰাখিলে।
- তৃতীয়া দিনা, যিহোৱাৰ চন্দুকৰ আগত দাগোন পৰি তাৰ মাছ হেন মূৰটো ভাঙি পৰিল, ঠিক তেনেদৰে যীচুৱে যেনেকৈ তৃতীয় দিনা মৃত্যুক জয় কৰি উঠি পুৰণি সৰ্পৰ মূৰ গুৰি কৰিছিল।
- দাগোনে আমাক সেই ডাঙৰ মাছটোৰ কথা সোঁৰৰায়, যিহে তৃতীয় দিনা যোনাক জীয়াই জীয়াই বমি কৰি উলিয়াই দিছিল।
- যেতিয়া পলেষ্টিয়া বিলাক বিহ্ ফোহোৰাৰে আঘাত পালে, তেওঁলোকে এখন নতুন ৰথ সাজি, কান্ধত যুঁৰলী নুঠা দুজনী খীৰতী গাই গৰু আনি ৰথত লগাই তাত যিহোৱাৰ চন্দুক ৰাখি সেয়ে ইস্ৰায়েল লোক সকললৈ যায়নে তালৈ লক্ষ্য কৰিলে।
- যেতিয়া কিছুমান খেতিয়কে জিলিকি থকা সোণৰ পাখিৰে আবৰা যিহোৱাৰ চন্দুক ইস্ৰায়েললৈ অহা দেখিলে, তেওঁলোকে আনন্দ কৰিলে, যেনেদৰে যীচু মৃত্যুৰ পৰা উলটি আহোঁতে শিষ্যবিলাকে আনন্দ কৰিছিল।

**মুখস্থ কৰক** যোহন ১ঃ১৪

প্ৰাৰ্থনা আৰু কৰিবলগীয়া কামবোৰ কৰিবলৈ দুই বা তিনিজনীয়া **দল গঠন কৰক**। পুনৰুত্থিত খ্ৰীষ্ট্ যিজন ইম্মানুয়েল, 'আমাৰ লগত ঈশ্বৰ' তেওঁক দেখা পাবলৈ, আৰু তেওঁৰ লগত আমাৰ সম্বন্ধ বৃদ্ধি পাবলৈ ঈশ্বৰৰ সহায় খোজক। ইজনে সিজনৰ কাৰণে প্ৰাৰ্থনা কৰক।

**প্ৰভুৰ ভোজ স্থাপনৰ কাৰণে,** যোহন ১ঃ১-৩ আৰু ৭ পঢ়ক।

- ব্যাখা কৰক যে যীচু ঈশ্বৰৰ জীৱিত বাক্য, যিজন মাংস হ'ল, অদৃশ্য দৃশ্যমান প্ৰতিমূৰ্ত্তি (কলচীয়া ১ঃ১৫-১৭; যোহন ১ঃ১৪)।
- প্ৰভু - ভোজে এই আচৰিত মানৱ দেহ ধাৰণক প্ৰতিষ্ঠিত কৰে। আমি পিঠা খালে, যীচু মানুহৰূপে জন্ম লোৱা আমাক সোঁৰৰায়। আটাই মানুহৰ পাপ ঢাকিবলৈ যীচুৱে তেওঁৰ মানৱীয় তেজ বোৱালে। এই কথা আমি অধিক স্পষ্ট হ'বলৈ, ১ তীমথিয় ২ঃ৬-৭ আৰু ১ যোহন ২ঃ২ পঢ়ক।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net.